**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। অসম চুক্তিৰ বিদেশী নাগৰিক বিতাড়ন সম্পৰ্কীয় দফাসমূহ ৰূপায়ণৰ দাবীৰে দাখিল হোৱা ৰাজহুৱা স্বাৰ্থজড়িত আবেদন গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খাৰিজ।

২। ১২ ডিচেম্বৰত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ অভিযোগনামা। ঘটনা সন্দৰ্ভত তদন্তৰ দাবীৰে সাংসদ গৌৰৱ গগৈৰ বিদেশ মন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ।

৩। হোমেন বৰগোহাঁঞিৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি ২০২৫ বৰ্ষৰ সাহিত্যিক পেঞ্চন আৰু বঁটা প্ৰদান অনুষ্ঠান।

৪। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰ সঞ্চালক ড০ সোণালী ঘোষলৈ ২০২৫ **বন্যপ্ৰাণী সেৱা বঁটা**। **আৰু**

৫। বিশাখাপট্টনমত তৃতীয় এদিনীয়া জয়েৰে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ভাৰতৰ এদিনীয়া শৃংখলা দখল।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অসম চুক্তিৰ বিদেশী নাগৰিক বিতাৰণ সম্পৰ্কীয় দফাসমূহ কঠোৰভাৱে ৰূপায়ণ কৰিবলৈ অনুৰোধ জনাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন খাৰিজ কৰিছে। ন্যায়াধীশ মাইকেল জ'থান খুমা আৰু ন্যায়াধীশ এন উন্নি কৃষ্ণন নায়াক লৈ গঠিত এখন বিচাৰপীঠে অসম চুক্তিৰ আইনী পৰিকাঠামো সত্বেও বিতাড়ন কৰা লোকৰ সংখ্যা কম হোৱাক লৈ উদ্বেগ প্ৰকাশ কৰি অসম আন্দোলন সংগ্ৰামী মঞ্চই দাখিল কৰা আবেদনখন খাৰিজ কৰে। বিচাৰপীঠখনে অনুৰূপ বিষয়সম্পৰ্কীয় এটা গোচৰ উচ্চতম ন্যায়ালয়ৰ বিচাৰাধীন হৈ থকাৰ পৰিপ্ৰেক্ষিতত আবেদনখন খাৰিজ কৰে।

আবেদনখনত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে অসমীয়া জনসাধাৰণৰ সাংস্কৃতিক, সামাজিক আৰু ভাষিক পৰিচয় সুৰক্ষিত কৰাত ব্যৰ্থ হোৱা বুলি দাবী কৰিছিল। আবেদনকাৰীসকলে লগতে খিলঞ্জীয়া লোকসকলৰ সুৰক্ষাৰ বাবে অসম চুক্তি আগ্ৰহেৰে ৰূপায়ণ কৰিব লাগিব বুলি মন্তব্য কৰিছে। আবেদনকাৰীসকলে বিশেষকৈ চিনাক্তকৰণ আৰু বিতাৰণ প্ৰক্ৰিয়াৰ মেৰুদণ্ডস্বৰূপ অসম চুক্তিৰ সংশ্লিষ্ট দফাসমূহ ৰূপায়ণ কৰিবলৈ আবেদন জনাইছিল।

০০০০০০

অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোটে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ১২ ডিচেম্বৰত আদালতত অভিযোগনামা দাখিলৰ বাবে অহৰহ প্ৰস্তুতি অব্যাহত ৰাখিছে। অভিযোগনামা দাখিলৰ নিৰ্ধাৰিত সময়সীমা ১৮ ডিচেম্বৰত উকলি যাব যদিও ছদিন পূৰ্বেই অভিযোগনামা দাখিল কৰা হ'ব। বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী তথা বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই কালি উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে তদন্ত প্ৰক্ৰিয়া প্ৰায় শেষ পৰ্যায়ত উপনীত হৈছে আৰু এতিয়ালৈ তিনি শতাধিক লোকৰ ভাষ্য গ্ৰহণ কৰা হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰৰ গোচৰটোৰহে অভিযোগনামা আদালতত দাখিল কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। এই ঘটনা সন্দৰ্ভত ৰুজু হোৱা ১৯/২০২৫ নম্বৰৰ দ্বিতীয়টো গোচৰৰ তদন্ত অব্যাহত থাকিব বুলি শ্ৰীগুপ্তাই প্ৰকাশ কৰে। তেওঁ কয়, যে

ছিংগাপুৰ উৎসৱৰ আয়োজক শ্যামকানু মহন্তৰ বিত্তীয় অনিয়মৰ অভিযোগ এটা সম্পূৰ্ণ পৃথক তদন্তৰ অংশ আৰু ইয়াৰ সৈতে মৃত্যুৰ গোচৰটোৰ সম্পৰ্ক নাই।

ইপিনে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত তদন্তৰ দাবীৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰলৈ পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰত শ্ৰীগগৈয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা ২৪ নৱেম্বৰত বিধানসভাত দিয়া ভাষণৰ কথা উল্লেখ কৰিছে। এই ভাষণত মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ তদন্তৰ ওপৰত ভিত্তি কৰি জুবিন গাৰ্গৰ মৃত্যু পূৰ্ব পৰিকল্পিত হত্যা বুলি ঘোষণা কৰাৰ কথাও উল্লেখ কৰে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছ দলে কালি ডিব্ৰুগড়ত এখন সংবাদমেল সম্বোধন কৰি জনসাধাৰণক দলটোৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে অৱগত কৰে। দলটোৱে ৰাইজৰ সৈতে প্ৰত্যক্ষভাৱে সংযোগ ৰক্ষা কৰি আগবাঢ়ি যাব বুলি সংবাদমেলত অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে উল্লেখ কৰে।

**বাইট (গৌৰৱ গগৈ)**

অন্যান্য বিৰোধী দলসমূহেও একগোট হৈ অহামাহৰ পৰা ৰাইজৰ ওচৰলৈ গৈ তেওঁলোকৰ সমস্যাসমূহৰ বুজ ল'ব বুলি সাংসদগৰাকীয়ে উল্লেখ কৰে। তদুপৰি বিৰোধী দলসমূহৰ সন্মিলন অনুষ্ঠিত হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০

ৰাজ্যৰ জাতীয় জীৱনৰ এগৰাকী পুৰোধা ব্যক্তি হোমেন বৰগোহাঁঞিৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি কটন বিশ্ববিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত ২০২৫ বৰ্ষৰ সাহিত্যিক পেঞ্চন আৰু বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এইবাৰ মুঠ ১৮ গৰাকী সাহিত্যিকে সাহিত্য বঁটা লাভ কৰাৰ লগতে ১০ গৰাকী সাহিত্যিকলৈ সাহিত্য পেঞ্চন আগবঢ়োৱা হৈছে।

২০২৫ বৰ্ষৰ সাহিত্য বঁটা লাভ কৰা সকলৰ ভিতৰত ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, ড০ সূৰ্যকান্ত হাজৰিকা, কিশোৰী মোহন দাস, অৰ্পণা কোঁৱৰ, আশুতোষ দাস, গুৰমাইল সিং, সুৱৰ্ণা শইকীয়াকে ধৰি আন কেইবাগৰাকী সাহিত্যিক আছে। এই বঁটা লাভ কৰি সাহিত্যিক কিশোৰী মোহন দাসে এইদৰে মনৰ ভাব প্ৰকাশ কৰে-

**(বাইট ঃ দাস)**

সাহিত্যিকসকলক বঁটাৰ লগতে ৫০ হাজাৰকৈ টকা প্ৰদান কৰা হ'ব। ইপিনে, সাহিত্য পেঞ্চন লাভ কৰাসকলে প্ৰতিমাহে ৮ হাজাৰ টকাকৈ লাভ কৰিব।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰ সঞ্চালক ড০ সোণালী ঘোষক কালি চেঞ্চুৰী এছিয়া নামৰ সংগঠনটোৱে বন্যপ্ৰাণী সেৱা বঁটা ২০২৫ প্ৰদান কৰে। মুম্বাইৰ নেচনেল চেণ্টাৰ ফৰ দা পাৰফৰ্মিং আৰ্টছৰ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত ড০ সোণালী ঘোষৰ লগতে জল বিশেষজ্ঞ ড০ ৰাজেন্দ্ৰ সিং, জলচৰ পক্ষী বিশেষজ্ঞ প্ৰবীন শ্বেখ, বন বিশেষজ্ঞ বাবন, জলবায়ু বিশেষজ্ঞ সিদ্ধাৰ্থ আগৰৱাল আৰু বন বিষয়া সৰুজ কুমাৰ পাণ্ডাক বন্যপ্ৰাণী সেৱা বঁটা আগবঢ়োৱা হয়। কাজিৰঙাত বানপানীৰ সময়ত পানীৰ যোগাযোগ বিচ্ছিন্ন হৈ থকা দুশৰো অধিক বনশিবিৰৰ কৰ্মীসকলৰ মনোবল আৰু কৰ্মদক্ষতা অটুত ৰখাৰ বাবে ড০ ঘোষে গ্ৰহণ কৰা পদক্ষেপৰ বাবে তেওঁক এই বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ২০২৩ চনত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ প্ৰথমগৰাকী মহিলা ক্ষেত্ৰ সঞ্চালিকা হিচাপে তেওঁ দায়িত্ব গ্ৰহণ কৰিছিল।

০০০০০০

রাজ্যৰ কৃষিক্ষেত্ৰৰ সম্ভাৱনা আৰু কৃষকলৈ সা-সুবিধা সন্দৰ্ভত কালি আকাশবাণী গুৱাহাটীৰ **দৃষ্টিপাত** অনুষ্ঠানত এটা আলোচনা প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত অসম বীজ আৰু জৈৱিক প্ৰমাণিকৰণ অধিকৰণৰ প্ৰাক্তন সঞ্চালক তথা প্ৰাক্তন যুটীয়া কৃষি সঞ্চালক মৌচম হাজৰিকা আৰু সোণাপুৰ চক্ৰৰ কৃষি উন্নয়ন বিষয়া সুপ্ৰিয়া বৰাই অংশ লৈ কৃষি ক্ষেত্ৰৰ বিভিন্ন উন্নয়নমূলক দিশ আৰু কৃষকলৈ আগবঢ়োৱা সা-সুবিধা সম্পৰ্কে অৱগত কৰে। কৃষি প্ৰযুক্তিৰ বিকাশে ক্ৰমাগতভাৱে ৰাজ্যৰ কৃষি ক্ষেত্ৰলৈ অনা পৰিৱৰ্তন সন্দৰ্ভতো তেওঁলোকে আলোকপাত কৰে।

**বাইট**

প্ৰাকৃতিক দুৰ্যোগ, বন্যপ্ৰাণীৰ সৈতে সংঘাত আৰু অন্যান্য বিভিন্ন সমস্যা নেওচি উন্নতজাতৰ শস্য ৰোপনেৰে কিদৰে স্বাৱলম্বী হ'ব পাৰি এই বিষয়েও তেওঁলোকে কৃষক ৰাইজক অৱগত কৰে। তদুপৰি কৃষিৰ বিভিন্ন সা-সুবিধাসমূহ লাভ কৰাৰ বাবে কিদৰে স্থানীয় পৰ্যায়ত যোগাযোগ কৰিব পাৰি এই বিষয়েও তেওঁলোকে জানিবলৈ দিয়ে। এই অনুষ্ঠানত চাৰিগৰাকী প্ৰগতিশীল কৃষকে নিজৰ মনৰ ভাৱ আৰু অভিজ্ঞতা বিনিময় কৰে।

০০০০০০

ৰাজ্যত ২০২৪ বৰ্ষত ৪১ হাজাৰ ৭১৩ জন লোকৰ দেহত কৰ্কট ৰোগৰ সংক্ৰণ ধৰা পৰিছে। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে লোকসভাৰ চলিত শীতকালীন অধিৱেশনৰ কেন্দ্ৰীয় স্বাস্থ্য ৰাজ্য মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে প্ৰকাশ কৰা মতে ২০২৪ বৰ্ষত অসমত ৪১ হাজাৰ ৭১৩ জন লোক কৰ্কট ৰোগত আক্ৰান্ত হৈছে। ২০২৩ বৰ্ষতো অসমত আনুমাণিক ৪০ হাজাৰৰো অধিক লোক এই ৰোগত আক্ৰান্ত হোৱা বুলি স্বাস্থ্যমন্ত্ৰালয়ে তথ্যত প্ৰকাশ পাইছে। আই চি এম আৰৰ ৰাষ্ট্ৰীয় কৰ্কট পঞ্জীয়ন প্ৰকল্পৰ তথ্যৰ উদ্ধৃতিৰে স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে অসমত বছৰি গড়ে প্ৰায় ৪০ হাজাৰকৈ লোক মুখৰ কৰ্কট ৰোগত আক্ৰান্ত হয়। ৰাজ্য চৰকাৰে কৰ্কট ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে জৰায়ুৰ কৰ্কট ৰোগ ধৰা পেলোৱাৰ বাবে স্বাস্থ্য বিভাগে চাৰ্ভিকেল কেন্সাৰ স্ক্ৰিক্ৰনিং শিবিৰৰো আয়োজন কৰিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে ব্যক্তিগত বিমান পৰিবহন সংস্থা ইণ্ডিগ' এয়াৰলাইনছৰ সংকটৰ বাবে বৰঝাৰকে ধৰি দেশৰ বিভিন্ন বিমান বন্দৰত সৃষ্টি হোৱা অচলাৱস্থা দূৰ কৰাৰ বাবে কঠোৰ পদক্ষেপ লৈছে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে আজি নিশা ৮ বজাৰ ভিতৰত বাতিল হোৱা বিমানৰ টিকটৰ ধন যাত্ৰীসকলক ঘূৰাই দিয়াৰ নিৰ্দেশ দিছে। নিৰ্দেশটোত লগতে বিমান পৰিবহণ সংস্থাটোৱে ৪৮ ঘণ্টাৰ ভিতৰত যাত্ৰীৰ বয়বস্তুবোৰো ঘূৰাই দিব লাগিব বুলি উল্লেখ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ইণ্ডিগ'ত দেখা দিয়া সংকটৰ সুযোগ লৈ অন্য বিমান পৰিবহন সংস্থাবোৰে টিকটৰ দাম বৃদ্ধি কৰা সন্দৰ্ভতো নিৰ্দেশনা জাৰি কৰিছে। মন্ত্ৰালয়ে বিমান পৰিবহণ সংস্থাবোৰৰ টিকটৰ ভাৰাৰ নিৰিখ স্থিৰ কৰিছে। সেই অনুসৰি ৫০০ কিলোমিটাৰ পৰ্যন্ত বিমান যাত্ৰাৰ বাবে সংস্থাবোৰে যাত্ৰীৰ পৰা চাৰে সাত হাজাৰ টকাহে ভাৰা আদায় কৰিব পাৰিব। একেদৰে ৫০০ৰ পৰা এহেজাৰ কিলোমিটাৰলৈকে ১২ হাজাৰ টকা, এহেজাৰৰ পৰা ডেৰ হাজাৰ কিলোমিটাৰলৈকে ১৫ হাজাৰ আৰু ১৫ হাজাৰ কিলোমিটাৰতকৈ অধিক দূৰত্বৰ বাবে সৰ্বাধিক ১৮ হাজাৰ টকাৰ বিমান ভাৰা স্থিৰ কৰা হৈছে। অৱশ্যে বিমানৰ বিজনেছ ক্লাছৰ যাত্ৰীৰ বাবে এই নিৰিখ প্ৰযোজ্য নহ'ব।

০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত শ্ৰীভূমি জিলাত ৰূপায়িত বিভিন্ন উন্নয়নমূলক আঁচনি সন্দৰ্ভত জিলা কৃষি বিষয়া অৰূপানন দত্তৰ সৈতে এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ শ্ৰীভূমিৰ সংবাদদাতা জাকাৰিয়া ৰহমানে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০

ভাৰতে যোৱানিশা বিশাখাপট্টনমত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত যশস্বী জয়ছোৱালৰ শতক আৰু ৰোহিত শৰ্মা তথা বিৰাট কোহলীৰ অৰ্ধশতকৰ সহায়ত দক্ষিণ আফ্ৰিকাক অনায়াসে ৯ উইকেটত পৰাস্ত কৰে। ভাৰতে এই জয়ৰ সুবাদত ২-১ ফলাফলেৰে শৃংখলা হস্তগত কৰে। ভাৰতে ২৭১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৩৯ অভাৰ আৰু ৫টা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ যশস্বী জয়ছোৱালে ১১৬ আৰু বিৰাট কোহলিয়ে ৬৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ৰোহিত শৰ্মাই ৭৫ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৪৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৭০ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ কুইণ্টন ডিককে সৰ্বাধিক ১০৬ ৰান কৰে। টেম্বা বাবুমাই ৪৮ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ কুলদীপ যাদৱ আৰু প্ৰসিদ্ধ কৃষ্ণাই ৪টাকৈ উইকেট দখল কৰে।

০০০০০০

নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ কাম-কাজ অব্যাহত ৰখাৰ মাজতে বিজেপিয়ে নীৰৱ অভিযান আৰম্ভ কৰাৰ এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে **এছ আৰক লৈ বিজেপিৰ অভিযান** শিৰোনামেৰে প্ৰকাশ কৰিছে।

ৰাজ্যৰ মৰাণ-মটক, চাহ জনগোষ্ঠীৰ লগতে অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকলে দুটা সন্তানৰ নীতিৰ আবেষ্টনীৰ পৰা মুক্তি লাভ কৰিছে। তেওঁলোকৰ দুটাতকৈ অধিক সন্তান থাকিলেও চৰকাৰী আঁচনি, সা-সুবিধা, পঞ্চায়ত আৰু নিকায় নিগমত নিৰ্বাচন খেলা আদিৰ সুযোগ লাভ কৰিব। ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব পি অশোক বাবুৱে এই সন্দৰ্ভত এটা নিৰ্দেশনা জাৰি কৰিছে। এয়া **অসমীয়া খবৰ কাকত**ৰ বাতৰি।

**দ্য টাইমছ অব ইণ্ডিয়া** আৰু **দ্য চেণ্টিনেল** কাকতৰ লগতে আন কাকতসমূহে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত ১২ ডিচেম্বৰত চাৰ্জশ্বিট গাখিল কৰা হব বুলি চি আই ডিৰ বিশেষ ডি জি পি তথা এছ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই প্ৰকাশ কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

দেশৰ বিমান পৰিবহণ সংস্থা ইণ্ডিগৰ অচলাৱস্থাক কেন্দ্ৰ কৰি যাত্ৰীৰ মাজত অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হোৱাৰ বাতৰি **আমাৰ অসম** কাকতে বিমান নুৰিল, খেলুৱৈ বিদেশমুখী যাত্ৰীৰ বিড়ম্বনা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো দি আসাম ট্ৰিবিউন কাকতেও গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দুদিনীয়া ভ্ৰমণসূচীৰে যোৱা ৪ ডিচেম্বৰত ভাৰতলৈ অহা ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া উপহাৰত ৰাজ্যৰ ব্লেক টিয়ে স্থান লাভ কৰাৰ বাতৰি **দৈনিক অসম** কাকতে **পুটিনে লৈ গল অসমৰ ব্লেক টী** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতেও শীৰ্ষস্থান দিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

গুৱাহাটীৰ আনন্দ নগৰস্থিত পূৰ্বৰংগ থিয়েটাৰৰ আজিৰে পৰা তিনিদিনীয়াকৈ একাদশ পূৰ্বৰংগ ৰাষ্ট্ৰীয় নাট সমাৰোহ অনুষ্ঠিত হ'ব। আজি সন্ধিয়া ছয় বজাত সমাৰোহ মুকলি কৰা হ'ব আৰু চাৰে ছয় বজাত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গক শ্ৰদ্ধাৰ্ঘ নিবেদন কৰা হ'ব। মৃণাল কুমাৰ বৰাই ৰচনা আৰু গুণাকৰ দেৱগোস্বামীয়ে পৰিচালনা কৰা **এটা সেউজীয়া দিশ** নামৰ নাটকেৰে সমাৰোহ আৰম্ভ হ'ব। পৰহিলৈ এই একেখন নাটক মঞ্চস্থ কৰি সমাৰোহ সামৰণি মৰা হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত